# The first Arab-India Energy Forum (June 8-9, 2021)

---

## প্ৰথম আৰব-ভাৰত শক্তি সন্মিলন (জুন 8-9, 2021)

জুন 09, 2021

1. আৰব-ভাৰত শক্তি সন্মিলনৰ (এইইএফ) প্ৰথম সংস্কৰণ ভাৰচ্যুৱেল ধৰণে অনুষ্ঠিত কৰা হয় 8-9 জুন 2021 তাৰিখে ভাৰত আৰু মৰক্কোৰ সহ-সভাপতিত্বৰ অধীনত। এই অনুষ্ঠান আৰব-ভাৰত সহযোগিতা সন্মিলনৰ (এআইচিএফ) কাৰ্যনিৰ্বাহী অনুষ্ঠন আৰু 12 জানুৱাৰী 2021 তাৰিখে ভাৰচ্যুৱেল ধৰণে অনুষ্ঠিত ভাৰত আৰু আৰব ৰাষ্ট্ৰ জোঁটৰ (এলএএছ) জ্যেষ্ঠ বিষয়াসকলৰ তৃতীয় বৈঠকৰ সিদ্ধান্তৰ ৰূপায়ণ আছিল।

2. সন্মিলনখনৰ উদ্বোধনী অনুষ্ঠান সম্বোধন জনাই মাননীয় শ্ৰী আৰ কে সিঙ, ভাৰতৰ নৱ আৰু পুনৰব্যৱহাৰযোগ্য শক্তিৰ, ৰাজ্যিক (স্বাধীন কাৰ্য্যভাৰ) শক্তি মন্ত্ৰীল মাননীয় মিঃ আজিজ ৰাব্বাহ, মৰক্কোৰ শক্তি, খনি আৰু পৰিৱেশ মন্ত্ৰী; আৰু মাননীয় ডঃ কামাল হাচান আলীয়ে, এলএএছ'ৰ অৰ্থনৈতিক বিষয়ৰ উপ মহাসচিব। ইয়াৰ পৰৱৰ্তী পৰিকল্পনা চক্ৰসমূহে শক্তি স্থানান্তৰ, অন্তঃ-আঞ্চলিক শক্তি বাণিজ্য, হাইড্ৰ'কাৰ্বন আৰু নিউক্লীয়াৰ শক্তি সৃষ্টিৰ ক্ষেত্ৰত সহযোগিতাৰ সম্ভাৱনা আৰু প্ৰত্যাহ্বানসমূহ অন্বেষণ কৰে। পেনেলিষ্টসকল বাছনি কৰা হয় বহল পৰিসৰৰ ভাৰত আৰু এলএএছ সদস্য ৰাষ্ট্ৰসমূহ ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ সংগঠন আৰু মুখ্য আঞ্চলিক সংগঠন যেনে অৰ্গেনাইজেচন অফ আৰব পেট্ৰ'লিয়াম এক্সপৰ্টিং কাণ্ট্ৰিচ (অ'এপিইচি) আৰু আৰব পাৰমাণৱিক শক্তি এজেন্সীৰ (এএইএ) পৰা।

3. সন্মিলনখনত জ্ঞান, পাৰগতা আৰু শ্ৰেষ্ঠ অভ্যাসৰ বিনিময় দেখা যায় বিভিন্ন অৰ্থনৈতিক খণ্ডৰ শক্তি পৰিপক্বতা অনুষ্ঠান, নৱ আৰু পুনৰব্যৱহাৰযোগ্য শক্তিৰ দ্ৰুত বিকাশ, আঞ্চলিক শক্তি ভাগ ব্যৱস্থা সাধন, বৰ্ধিত তেল পুনৰুদ্ধাৰ, কঠিন গেছ আহ্রণ আৰু সুৰক্ষিত নিউক্লীয়াৰ শক্তি সৃষ্টি আদি ক্ষেত্ৰত। লগতে এই খণ্ডসমূহ শাসন কৰা নিজ নিজ ৰাষ্ট্ৰীয় নিয়ন্ত্ৰণ নীতি, বিনিয়োগ সুযোগ আৰু গৱেষণা আৰু বিকাশ, আৰু প্ৰশিক্ষণ সহযোগিতা সম্ভাৱনাৰ ওপৰত আলোচনা কৰা হয়।

4. বিশেষজ্ঞসকলে উল্লেখ কৰে যে যদিও ভাৰত আৰু বহুতো এলএএছ সদস্য ৰাষ্ট্ৰই পৰিচ্ছন্ন আৰু সেউজ শক্তি অৰ্থনীতিৰ ফালে স্থানান্তৰ কৰিব বিচাৰিছে, নিকটতম ভৱিষ্যতত হাইড্ৰ'কাৰ্বনৰ ওপৰত তেওঁলোকৰ নিৰ্ভৰতা সম্ভৱপৰ অব্যাহত থাকিব।

5. সামৰণি হিচাপে, অংশগ্ৰহণকাৰীসকলে নিজৰ আন্তৰিক প্ৰশংসা জ্ঞাপন কৰে দুয়ো মন্ত্ৰীলৈ সন্মিলনখনত তেওঁলোকৰ সহ-সভাপতিত্ব আৰু উদাৰমনা পৃষ্ঠপোষকতাৰ বাবে, আৰু লগতে

এলএএছ'ৰ সাধাৰণ সচিবালয়ক ধন্যবাদ জ্ঞাপন কৰে এক অৰ্থপূৰ্ণ অনুষ্ঠান ৰূপায়ণত তেওঁলোকৰ উত্তম সমন্বয়ৰ বাবে।

6. তেওঁলোকে এআইইএফ'ৰ দ্বিতীয় সংস্কৰণ 2023 চনত ভাৰতত অনুষ্ঠিত কৰিবলৈ সন্মত হয়।

**নতুন দিল্লী**
**জুন 09, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.